তোমালোকৰ প্ৰত্যেকেই দায়িত্বশীল। গতিকে প্ৰত্যেককে তাৰ অধীনস্থ লোকসকলৰ বিষয়ে প্ৰশ্ন কৰা হ'ব।

আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ প্ৰত্যেকেই দায়িত্বশীল। গতিকে প্ৰত্যেককে তাৰ অধীনস্থ লোকসকলৰ বিষয়ে প্ৰশ্ন কৰা হ'ব। যেনে- মানুহৰ ওপৰত শাসন চলোৱা শাসক হৈছে এজন দায়িত্বশীল ব্যক্তি, তাক তাৰ দায়িত্ব সম্পৰ্কে প্ৰশ্ন কৰা হ'ব। পুৰুষ হৈছে পৰিয়ালৰ প্ৰতি দায়িত্বশীল, তাক নিজৰ পৰিয়ালৰ দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব। এইদৰে নাৰী হৈছে স্বামীৰ ঘৰৰ আৰু তাৰ সন্তানসকলৰ প্ৰতি দায়িত্বশীল, তাইক সেই
সম্পৰ্কে সোধ-পোচ কৰা হ'ব। এইদৰে দাস হৈছে তাৰ মালিকৰ সম্পদ ৰক্ষাৰ দায়িত্বত নিয়োজিত, তাক সেই দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব। জানি থোৱা! তোমালোক প্ৰত্যেকেই দায়িত্বশীল, গতিকে তোমালোকৰ প্ৰত্যেককে নিজ নিজ দায়িত্ব সম্পৰ্কে সোধ-পোচ কৰা হ'ব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, সমাজৰ প্ৰতিজন মুছলিম ব্যক্তিয়েই হৈছে দায়িত্বশীল। প্ৰত্যেকেই নিজৰ নিজৰ দায়িত্ব পালন কৰা উচিত। গতিকে ইমাম আৰু শাসক হৈছে আল্লাহে প্ৰদান কৰা দায়িত্বৰ প্ৰতি দায়বদ্ধ। সেয়ে তেওঁলোকৰ ওপৰত আছে চৰীয়তৰ হিফাজতৰ দায়িত্ব, প্ৰতিৱেশীৰ সুৰক্ষাৰ দায়িত্ব, শত্ৰুৰ বিৰুদ্ধে মুকাবিলা কৰাৰ দায়িত্ব, আৰু জনসাধাৰণৰ অধিকাৰ যাতে খৰ্ব নহয় সেই দায়িত্ব। এইদৰে পুৰুষৰ ওপৰত আছে পৰিয়াল পৰিচালনা আৰু সিহঁতৰ ভৰণ-পোষণৰ দায়িত্ব, সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰা আৰু সিহঁতক শিক্ষা তথা শিষ্টাচাৰ শিকোৱাৰ দায়িত্ব। এইদৰে নাৰী হৈছে তাইৰ স্বামীৰ ঘৰ আৰু সন্তানসকলক লালন-পালন কৰাৰ দায়িত্বত নিয়োজিত, তাইক সেই বিষয়ে প্ৰশ্ন কৰা হ'ব। দাস অথবা কৰ্মচাৰীসকল হৈছে নিজৰ মালিকৰ ধন-সম্পদ বা তাক দিয়া দায়িত্বৰ প্ৰতি দায়বদ্ধ। তাক সেই বিষয়ে সোধ-পোচ কৰা হ'ব। প্ৰত্যেকেই নিজ নিজ দায়িত্বৰ প্ৰতি দায়বদ্ধ। সেয়ে প্ৰত্যেককে নিজ নিজ দায়িত্ব পালন সম্পৰ্কে জবাবদিহি কৰা হ'ব।

http://sunnah.global/hadeeth/as/show/5819